9/12/2025

খুশাগাওঁকে ধৰি কেইবাখনো গাঁও। নির্বাচন আহে ১৩ পিঠিলৈ



## যোৰহাটত অধ্যাপক অৰুণ চন্দ্ৰ পূজাৰী স্মাৰক বক্তৃতা সম্পন্ন

# ‘ইতিহাসৰ সমলসমূহৰ নিৰ্মোহ নিৰপেক্ষ বস্তুবাদী বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণৰ প্ৰয়োজন’



যোৰহাট ঃ ষ্টাফ ৰিপৰ্টাৰ, ৮ ডিচেম্বৰ ঃ ‘প্ৰাক্-আহোমকালীন ‘কামৰূপ’ৰ পৰা আহোমকালীন ‘অসম’লৈ ৰূপান্তৰ কালৰ প্ৰায় চাৰিশ বছৰজোৰা অসমৰ ইতিহাসৰ সৰহ অংশ এতিয়াও ধূঁৱলী-কুঁৱলী অৱস্থাতে আছে। অসমৰ ইতিহাসৰ ধাৰাবাহিক তথ্যসূত্ৰ আৰু বিকাশৰ ধাৰাৰ প্ৰতি এনে আধা সিজা উপলব্ধিৰ বাবে এহাতে আৰু আনহাতে ঔপনিৱেশিক শাসকৰ ‘ডিভাইড এণ্ড ৰুল’ নীতিৰ বাবে অসমত বসবাস কৰা দুশতকৈও অধিক জনগোষ্ঠীৰ মনত অসম আৰু অসমীয়া সম্পৰ্কীয় ধাৰণা আৰু ঐতিহ্য চেতনাই সৰ্বজন গ্ৰহণযোগ্য একমুখী গতি লাভ কৰিব পৰা ১২ পিঠিলৈ

## ...ত খিঁঙত অভিযান

...,৮ ডিচেম্বৰ ঃ নগাঁও জিলাৰ ... একাংশ অঞ্চলত অহা ১৬ ...দ অভিযান চলিব বুলি খিং... জানিব পৰা গৈছে। ইতিমধ্যে ...ভূমি মুক্ত ১২ পিঠিলৈ

# ইতিহাসৰ সমলসমূহৰ...

সাত পিঠিৰ পৰা

যোৰহাটৰ প্ৰয়াত অধ্যাপক অৰুণ চন্দ্ৰ পূজাৰী স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত যোৰহাট মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহযোগত আজি মহাবিদ্যালয়খনত অনুষ্ঠিত নৱম দ্বি-বাৰ্ষিক প্ৰয়াত অধ্যাপক অৰুণ চন্দ্ৰ পূজাৰী স্মাৰক বক্তৃতা আগবঢ়াই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ চেণ্টাৰ ফৰ নৰ্থ ইষ্ট ষ্টাডীজৰ অধ্যাপক ড° গজেন্দ্ৰ অধিকাৰীয়ে এই দৰে কয়। 'কামৰূপ'ৰ পৰা 'অসম'লৈ ৰূপান্তৰৰ ইতিহাস (নৱ আৱিষ্কৃত শিলালেখ-তাম্ৰপত্ৰৰ পোহৰত) শীৰ্ষক বক্তৃতানুষ্ঠানত ড° অধিকাৰীয়ে কয় যে ইতিহাসৰ নতুন নতুন সমলৰ আৱিষ্কাৰ আৰু এই সমলসমূহত নিৰ্মোহ নিৰপেক্ষ, বস্তুবাদী, বিজ্ঞানসন্মত বিচাৰ-বিশ্লেষণৰ প্ৰয়োজন। এনে কৰিবলৈ যাওঁতে ইতিহাসকাৰসকলে যথেষ্ট সতৰ্কতা আৰু সততাৰে আগবাঢ়িব লাগিব। কিয়নো মূল সমলসমূহৰ বিচাৰ-বিশ্লেষণ কৰোঁতে হোৱা ভুল-ত্ৰুটীয়ে জাতি গঠন আৰু দেশ গঠন প্ৰক্ৰিয়াত আউল লগোৱাৰ সম্ভাৱনাও থাকে। এতিয়ালৈকে আৱিষ্কৃত হোৱা অসমৰ সকলোধৰণৰ লিপিৰ ভিতৰত উমাচল শিলালিপিকেই আটাইতকৈ পুৰণি বুলি ভবা হৈছিল বুলি উল্লেখ কৰি ড° গজেন্দ্ৰ অধিকাৰীয়ে কয় যে এই লিপিখনত কোনো চন-তাৰিখৰ উল্লেখ নাই। ইয়াত উল্লিখিত সুৰেন্দ্ৰ বৰ্মন নামৰ 'মহাৰাজাধিৰাজ'গৰাকীৰ নামো এতিয়ালৈকে আৱিষ্কৃত তাম্ৰলিপিসমূহৰ পৰা জানিব পৰা কামৰূপৰ কোনো এটা ৰাজবংশৰ নাম তালিকাত নাই। এতিয়ালৈকে প্ৰাক্-আহোমকালীন অসমৰ মুঠতে দুকুৰিতকৈ অধিক শিলালেখ আৰু তাম্ৰপত্ৰ আৱিষ্কৃত হৈছে। ভাষণত ড° অধিকাৰীয়ে কয় যে ইতিহাসৰ প্ৰতি মানুহৰ ধাৰণা সলনি হোৱা নাই, সলনি কৰিব লাগিব। বুৰঞ্জী বা ইতিহাস সমাৰ্থক নহয়। বুৰঞ্জী এটা নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া, ইয়াক আৰম্ভহে কৰা হয়, শেষ নহয়। বক্তৃতানুষ্ঠানটোত আৰম্ভণিতে প্ৰয়াত অৰুণ চন্দ্ৰ পূজাৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে প্ৰয়াত পূজাৰীৰ সহধৰ্মিণী গৰিমা পূজাৰীয়ে। যোৰহাট মহাবিদ্যালয়ৰ উপাধ্যক্ষ উৎপল দত্তই আঁত ধৰা বক্তৃতানুষ্ঠানটোত আদৰণী ভাষণ আগবঢ়ায় স্মৃতিৰক্ষা সমিতিৰ সভাপতি ড° নীলিমা বৰাই। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° পৰাণ বৰুৱাই অংশগ্ৰহণ কৰা বক্তৃতানুষ্ঠানখনত শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমিত্ৰ পূজাৰীয়ে। অনুষ্ঠানটোত যোৰহাটৰ বহুকেইজন গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।